জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৫৩৮/২০২০

# ভিডিঅ’ কনফাৰেন্সযোগে অসমসহ দেশৰ ৬ খন ৰাজ্যৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে প্ৰধানমন্ত্ৰীয়ে

## মুখ্যমন্ত্ৰীসকলে আগবঢ়োৱা পৰামৰ্শসমূহ গুৰুত্বসহকাৰে লৈ বান ব্যৱস্থাপনাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰধানমন্ত্ৰীৰ

### বানত ক্ষতিগ্ৰস্ত আন্তঃগাঁথনি পুনৰুজ্জীৱিতকৰণৰ বাবে প্ৰয়োজনীয় আৰ্থিক সহযোগিতা আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীক অনুৰোধ জনালে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## সাম্প্ৰতিক পৰিস্থিতিৰ বাবে ইচ্ছা থকা সত্বেও বান প্ৰভাৱিত ৰাজ্যসমূহ ভ্ৰমণ কৰি প্ৰত্যক্ষভাৱে বান পৰিস্থিতিৰ বুজ লোৱা সম্ভৱ নহ’লঃ প্ৰধানমন্ত্ৰী

**দিছপুৰ, ১০ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেন্সযোগে অসমসহ দেশৰ ৬ খন ৰাজ্য ক্ৰমে বিহাৰ, মহাৰাষ্ট্ৰ, কেৰেলা, কৰ্ণাটক আৰু উত্তৰ প্ৰদেশৰ শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ পৰা শেহতীয়া বানত হোৱা ক্ষয়-ক্ষতি আৰু ইয়াৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত ৰাজ্যসমূহে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে এই বছৰ দেশৰ বহুকেইখন ৰাজ্যত স্বাভাৱিক পৰিমাণতকৈ অধিক মাত্ৰাত বৰষুণ হোৱাৰ ফলত দেশৰ এক বৃহৎ অংশ বানৰ কবলত পৰিছে। এই দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ প্ৰত্যক্ষভাৱে বান প্ৰভাৱিত আটাইকেইখন ৰাজ্য ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে ইচ্ছুক আছিল যদিও সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সেয়া সম্ভৱ হৈ নুঠিল। এই ভয়াবহ দুৰ্যোগৰ সন্মুখীন হোৱা ৰাজ্যসমূহৰ সৈতে কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ সহযোগিতাৰে সাহায্য আৰু উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়াই আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যসমূহৰ মাজৰ পাৰস্পৰিক সহযোগিতাই এই জটিল পৰিস্থিতি প্ৰশমনত যথেষ্ট সহায় কৰিছে। মুঠ ভূখণ্ডৰ ১২ শতাংশই বান-গৰাখহনীয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা ভাৰতৰ দৰে দেশত এনে দুৰ্যোগসমূহত ধন-জনৰ ক্ষয়-ক্ষতি হ্ৰাস কৰাটো সুনিশ্চিত কৰাৰ বাবে প্ৰযুক্তিৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰেৰে বান, খহনীয়া, ভূমিস্খলন, ধুমুহা-বা’মাৰলী, বজ্ৰপাতৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সঠিক আগজাননী প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগিব বুলিও তেওঁ মত প্ৰকাশ কৰে। আজিৰ বৈঠকত মুখ্যমন্ত্ৰীসকলে আগবঢ়োৱা পৰামৰ্শসমূহ গুৰুত্বসহকাৰে লৈ অগ্ৰাধিকাৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বৈঠকত ভাগ লৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি আৰু ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে প্ৰধানমন্ত্ৰীগৰাকীক বিশদভাৱে অৱগত কৰে। তেওঁ কয় যে ৰাজ্যৰ ৩০ খন জিলাই প্ৰভাৱিত হোৱা এইবাৰৰ বানত ৰাজ্যত ১৫৮ গৰাকী লোকে প্ৰাণ হেৰুৱাব লগা হোৱাৰ লগতে ধন-জনৰ ব্যাপক ক্ষয়-ক্ষতি হৈছে। ৰাজ্যৰ বিস্তৃত এলেকাৰ কৃষিভূমিৰ শস্য বিনষ্ট হৈছে, বহু সংখ্যক পশুধন মৃত্যুমুখত পৰিছে। এই বানত ৰাজ্যখনৰ পথ, দলং, বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ আদি ৰাজহুৱা আন্তঃগাঁথনিৰো বিস্তৰ ক্ষতি হোৱাৰ কথা উল্লেখ কৰি ইয়াৰ পুনৰুজ্জীৱিতকৰণৰ কাৰণে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াবলৈ তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ৰাজ্যখনে সন্মুখীন হোৱা এই দুৰ্যোগৰ মূহুৰ্তত প্ৰথমৰে পৰা টেলিফোনযোগে পৰিস্থিতিৰ বুজ লৈ থকাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দুৰ্যোগ সাহায্য প্ৰশমন পুঁজিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে তাৎক্ষণিকভাৱে মুকলি কৰি দিয়া ৩৮৬ কোটি টকাই ৰাজ্যৰ বান ব্যৱস্থাপনাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হৈছে। বান-খহনীয়াত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়ৰ বাবে ২ লাখ টকাৰ এককালীন সাহায্য অনুমোদন কৰাৰ বাবেও তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। উত্তৰ-পূবৰ দীৰ্ঘদিনীয়া বান-খহনীয়া সমস্যাৰ বিজ্ঞানসন্মত আৰু স্থায়ী সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবেও তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে।

অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে আজিৰ বৈঠকত বিহাৰৰ মুখ্যমন্ত্ৰী নিতীশ কুমাৰ, কেৰেলাৰ মুখ্যমন্ত্ৰী পি বিজয়ন, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই তথা কৰ্ণাটকৰ মুখ্যমন্ত্ৰী বি এছ য়েডিওৰাপ্পাৰ হৈ ৰাজ্যখনৰ গৃহমন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট ৰাজ্যসমূহৰ বান পৰিস্থিতিৰ সবিশেষ প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰে। বৈঠকৰ আৰম্ভণিতে কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই এক প্ৰেজেণ্টেশ্যনযোগে উল্লেখিত ৬ খন ৰাজ্যৰ বান পৰিস্থিতিৰ এক চমু বিৱৰণ দাঙি ধৰে। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আঁত ধৰা এই পৰ্যালোচনা বৈঠকত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী ডঃ হৰ্ষ বৰ্দ্ধনৰ লগতে কেন্দ্ৰীয় কেবিনেট সচিবকে ধৰি বিভিন্ন মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকল, ৰাজ্যসমূহৰ মুখ্য সচিবসকল আৰু এন ডি আৰ এফৰ শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসগৃহৰ পৰা অংশগ্ৰহণ কৰা এই ভিডিঅ' কনফাৰেন্সত মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিবদ্বয় জিষ্ণু বৰুৱা আৰু চৈয়দ্দিন আব্বাছী, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া এম এছ মণিৱন্নন, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তীও উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**১০/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in